**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16-06-2026**
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ গেছ সংযোগ ব্যৱস্থাত নৱতম সংযোজনেৰে আজি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে মঙলদৈত পাইপযোগে প্ৰাকৃতিক গেছ যোগান আৰু তেজপুৰত চি এন জি প্ৰকল্পৰ উদ্বোধন কৰে। এই উপলক্ষে ডঃ শৰ্মাই কয় যে বিশ্বব্যাপী যুদ্ধৰ বাবে শক্তি খণ্ড ব্যাঘাটৰ সন্মুখীন হোৱাৰ এই সময়ত দ্বৈত ইঞ্জিনযুক্ত বিজেপি চৰকাৰে জনসাধাৰণৰ বাবে শক্তি সুৰক্ষা আৰু সুলভ লভ্যতা সুনিশ্চিত কৰাৰ বাবে নিৰন্তৰভাৱে কাম কৰি আছে। ৰাজ্যত পি এন জি আৰু চি এন জি আন্তঃগাঁথনিৰ সম্প্ৰসাৰণে প্ৰাকৃতিক গেছ আধাৰিত অৰ্থনীতি, নিকা শক্তি আৰু বহনক্ষম বিকাশৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে।

**বাইট**

অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু শদিয়াৰ বিধায়ক বলিন চেতিয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি দিনৰ প্ৰথম ভাগত ৰাজ্যৰ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে - এ পি ডি চি এলৰ কাম-কাজ আৰু শক্তি খণ্ডৰ গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

০০০

অসম বিধান সভাৰ কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত আজি ৬ৰ পৰা ৩১ জুলাইলৈ চলিবলগীয়া ২৬ দিনীয় বাজেট অধিবেশনত বিতং কাৰ্যসূচীত অনুমোদন জনোৱা হয়। সেই অনুসৰি বিধানসভাৰ আসন্ন অধিবেশনৰ সময়ছোৱাত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। ১০ জুলাইত বিত্ত মন্ত্ৰীয়ে বাজেট উত্থাপন কৰিব। অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, জাকিৰ হুছেইন ছিকদাৰ, শ্বেৰমান আলী আহমেদ, মজিবুৰ ৰহমান আৰু ডঃ জয়প্ৰকাশ দাস উপস্থিত থাকে। সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত ভাগ লয়।

০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত কাইলৈ সাক্ষ্য প্ৰদানৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰী বিপুল ফুকন, জিতু ফুকন, বিকাশ শইকীয়া আৰু যাদৱ শইকীয়ালৈ চমন জাৰি কৰা হৈছে। আদালতত আজি ৩ গৰাকী সাক্ষী মৌচম বৰা, গৌৰাংগ দত্ত আৰু দিগন্ত দাসে সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত পক্ষৰ অধিবক্তাসকলে তিনিওগৰাকী সাক্ষীকে প্ৰশ্ন কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি

আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া উদ্যোগত ধেমাজি জিলাৰ গোগামুখত দিনজোৰা কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুৰাভা দিৱস অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বিশিষ্ট লোকশিল্পী তৰাৰতী মিলি বড়িলৈ ২০২৬ বৰ্ষৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, অৰণ্য মানৱ পদ্মশ্ৰী সন্মানেৰে বিভূষিত যাদৱ পায়েং, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শংকৰদেৱ সংঘৰ পদাধিকাৰ ড০ ভৰেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০

বশিষ্ঠ আৰক্ষীয়ে আজি লালমাটি বেহাৰবাৰীত অভিযান চলাই ২৫ গ্ৰাম হেৰোইন জব্দ কৰে। জব্দ কৰা নিষিদ্ধ মাদক দ্ৰব্যখিনি দুটা চাবোনৰ বাকচত অতি কৌশলেৰে লুকুৱাই অনা হৈছিল। আৰক্ষীয়ে এই সংক্ৰান্তত বকোৰ গোল মহম্মদ আলী নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০

দৰং জিলাৰ খাৰুপেটিয়া সমীপৱৰ্তী বালিগাঁৱৰ কেইবাখনো ফল-মূলৰ বিপণীত আজি জিলাখনৰ খাদ্য আৰু অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা আৰু স্বাস্থ্য বিভাগৰ অন্তৰ্গত জিলা সুৰক্ষা বিষয়াই অভিযান চলায়। আৰক্ষীৰ উপস্থিতিত চলোৱা এই অভিযানত বিক্ৰীৰ বাবে মজুত ৰখা ফলত বিষাক্ত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা হৈছে নেকি সেই বিষয়ে বুজ লোৱা হয়। পৰিদৰ্শনকালত কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০

ঃঃ সমাপ্ত ঃঃ